নং ঃ ৭৪৬/২০২০

# বিশিষ্ট অভিনেতা, পৰিচালক জীৱন বৰাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১০ নৱেম্বৰ ঃ** বিশিষ্ট অভিনেতা, চলচ্চিত্ৰ পৰিচালক জীৱন বৰাৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত জীৱন বৰাই অসমৰ সাংস্কৃতিক জীৱনলৈ যি বলিষ্ঠ অৱিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। লখিমপুৰৰ সাংস্কৃতিক পথাৰখনিৰ মহীৰূপস্বৰূপ প্ৰয়াত বৰা ভাৰতীয় গণনাট্য সংঘৰ লগতো জড়িত আছিল। কেইবাখনো জনপ্ৰিয় চলচ্চিত্ৰ আৰু নাটক সুখ্যাতিৰে পৰিচালনা কৰা জীৱন বৰাৰ বিয়োগ ৰাজ্যৰ সাংস্কৃতিক তথা সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত জীৱন বৰাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**প্ৰঃকুঃবঃ / পুঃডেঃ**
১০/১১/২০২০